# 2016

# ECONOMICS

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

## PART A – ক অংশ

1\. (a) What is a mixed economy? 1

মিশ্ৰ অৰ্থনীতি কি?

(b) What is opportunity cost? 1

সুযোগ ব্যয় কি?

(c) Give *one* example of complementary goods. 1

পৰিপূৰক দ্ৰব্যৰ *এটা* উদাহৰণ দিয়া।

(d) Fill in the blank : 1

খালী ঠাই পূৰ্ণ কৰা :

AC = AVC + ............

(e) What does the average fixed cost (AFC) curve look like? 1

গড় স্থিৰ ব্যয় (AFC) ৰেখাৰ আকৃতি কেনেকুৱা?

(f) Give *an* example of variable cost. 1

পৰিৱৰ্তনশীল ব্যয়ৰ *এটা* উদাহৰণ দিয়া।

2\. Mention *two* central problems of an economy. 2

অৰ্থব্যৱস্থাৰ *দুটা* কেন্দ্ৰীয় সমস্যা উল্লেখ কৰা।

3\. Mention *any two* determinants of market demand. 2

বজাৰ চাহিদা নিৰ্দ্ধাৰণকাৰী *দুটা* উপাদান উল্লেখ কৰা।

4\. The total money income of a consumer is $M$ and he spends his entire money income on the consumption of two commodities, viz. $X$ and $Y$. The prices of $X$ and $Y$ are $P_X$ and $P_Y$ respectively. State the equation of his budget line. 2

এজন উপভোক্তাৰ মুঠ আয় $M$ আৰু তেওঁ তেওঁৰ সম্পূৰ্ণ আয় দুটা সামগ্ৰী, $X$ আৰু $Y$, ৰ উপভোগত ব্যয় কৰে। $X$ আৰু $Y$ ৰ দাম ক্ৰমে $P_X$ আৰু $P_Y$ হ'লে ভোক্তাজনৰ বাজেট ৰেখাৰ সমীকৰণটো লিখা।

5. What is marginal rate of substitution? 2

প্ৰান্তিক বিকল্পৰ হাৰ কি?

6. Mention *two* determinants of the supply curve of a firm. 2

ব্যৱসায় প্ৰতিষ্ঠান এখনৰ যোগানৰেখা নিৰ্দ্ধাৰণকাৰী *দুটা* উপাদান উল্লেখ কৰা।

7. Explain the relation between market price and marginal revenue of a price taking firm. 2

দৰ গ্ৰহণকাৰী ব্যৱসায় প্ৰতিষ্ঠান এখনৰ বজাৰ দাম আৰু প্ৰান্তিক আয়ৰ সম্পৰ্ক ব্যাখ্যা কৰা।

8. If the total product with 5 units of a variable factor is 55, calculate the average product of it. If the factor is increased by 1 more unit as a result of which the total product becomes 60, what will be the marginal product? 4

এটা পৰিবৰ্তনশীল উপাদানৰ 5 একক ব্যৱহাৰ কৰিলে যদি মুঠ উৎপাদন 55 একক হয়, তেন্তে ইয়াৰ গড় উৎপাদন নিৰ্ণয় কৰা। উপাদানটোৰ আৰু 1 একক বঢ়াই দিয়াৰ ফলত মুঠ উৎপাদন 60 একক হ'লে প্ৰান্তিক উৎপাদন কিমান হ'ব?

***OR / অথবা***

Explain the conditions for equilibrium of a firm. 4

ব্যৱসায় প্ৰতিষ্ঠান এখনৰ ভাৰসাম্যৰ চৰ্তসমূহ ব্যাখ্যা কৰা।

9. What is meant by Returns to scale? Explain the various returns to scale. 1+3=4

মাত্ৰাৰ প্ৰতিদান বুলিলে কি বুজায়? বিভিন্ন ধৰণৰ মাত্ৰাৰ প্ৰতিদানসমূহ ব্যাখ্যা কৰা।

***OR / অথবা***

Distinguish between returns to factor and returns to scale. 4

উপাদানৰ প্ৰতিদান আৰু মাত্ৰাৰ প্ৰতিদানৰ পাৰ্থক্য দেখুওৱা।

10. The production function of a firm is given as $Q = 2L^{1/2} K^{1/2}$. Calculate the level of output when it employs 25 units of Labour ($L$) and 16 units of Capital ($K$). 4

ব্যৱসায় প্ৰতিষ্ঠান এখনৰ উৎপাদন ফলন $Q = 2L^{1/2} K^{1/2}$ দিয়া আছে। 25 একক শ্ৰম ($L$) আৰু 16 একক মূলধন ($K$) প্ৰয়োগ কৰিলে প্ৰতিষ্ঠানখনৰ উৎপাদনৰ পৰিমাণ নিৰ্ণয় কৰা।

11. The marginal revenue (MR) schedule of a production unit is given below. Calculate the total revenue (TR) and the average revenue (AR) schedules. 4

এটা উৎপাদন গোটৰ প্ৰান্তিক আয় (MR) অনুসূচী তলত দিয়া হৈছে। এতিয়া মুঠ আয় (TR) আৰু গড় আয় (AR) অনুসূচী নিৰ্ধাৰণ কৰা।

| Q | MR |
|---|---|
| 1 | 21 |
| 2 | 19 |
| 3 | 17 |
| 4 | 11 |
| 5 | 7 |
| 6 | 3 |

12. Write down *four* characteristics of monopoly market. 4

একচেটিয়া বজাৰৰ *চাৰিটা* বৈশিষ্ট্য লিখা।

13. State and explain the law of demand with the help of a demand schedule and a diagram. 6

চাহিদা বিধিটো লিখা আৰু ইয়াক চাহিদা অনুসূচী আৰু চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

***OR / অথবা***

Explain the concept of market equilibrium with the help of demand and supply curves.

চাহিদা আৰু যোগান ৰেখাৰ সহায়ত বজাৰৰ ভাৰসাম্যৰ ধাৰণাটো ব্যাখ্যা কৰা।

14. What is price elasticity of demand? Explain briefly *any two* factors determining price elasticity of demand for a good. 2+4=6

চাহিদাৰ দৰ স্থিতিস্থাপকতা কি? দ্ৰব্য এবিধৰ চাহিদাৰ দৰ স্থিতিস্থাপকতা নিৰ্দ্ধাৰণ কৰা *যিকোনো দুটা* কাৰক চমুকৈ ব্যাখ্যা কৰা।

**OR / অথবা**

Explain the implications of the features, "Product differentiation" and "Selling Costs" under monopolistic competition. 3+3=6

একচেটিয়া প্ৰতিযোগিতাৰ বিশেষত্ব — "দৰ বিভেদকৰণ" আৰু "বিক্ৰী ব্যয়"ৰ অৰ্থ ব্যাখ্যা কৰা।

## PART B – খ অংশ

15. *(a)* What constitute fiat money? 1

আদেশী মুদ্ৰাৰ উপাদান সমূহ কি ?

*(b)* What is aggregate supply? 1

সামগ্ৰিক যোগান কি?

*(c)* Define involuntary unemployment. 1

অনিচ্ছাকৃত নিবনুৱাৰ সংজ্ঞা দিয়া।

*(d)* What is National Income? 1

জাতীয় আয় কি?

*(e)* Why is post office not considered as bank? 1

ডাকঘৰ কিয় বেংক বুলি বিবেচিত নহয়?

*(f)* Give *one* example of accommodating capital flow. 1

প্ৰণোদিত মূলধন প্ৰৱাহৰ *এটা* উদাহৰণ দিয়া।

16. Suppose the Net National Product at market price ($NNP_{MP}$) of a country is ₹1600 crore. If the total indirect tax is ₹100 crore and the total amount of subsidy paid by the government is ₹80 crore, find out the National Income of the country. 2

ধৰা হ'ল, এখন দেশৰ বজাৰ দৰত প্ৰকৃত জাতীয় উৎপাদন ($NNP_{MP}$) ₹1600 কোটি। যদি মুঠ পৰোক্ষ কৰ ₹100 কোটি আৰু মুঠ ৰাজ সাহায্য ₹80 কোটি হয়, দেশখনৰ জাতীয় আয়ৰ পৰিমাণ নিৰ্ণয় কৰা।

17. What do you understand by the problem of double counting in the context of the measurement of National Income? 2

জাতীয় আয় গণনাৰ প্ৰসঙ্গত দ্বৈত গণনাৰ সমস্যা বুলিলে কি বুজা?

18. Distinguish between induced investment and autonomous investment. 2

অভিপ্ৰেত বিনিয়োগ আৰু স্বতন্ত্ৰ বিনিয়োগৰ মাজৰ পাৰ্থক্য দেখুওৱা।

19. Name *two* sources of non-tax revenue. 2

অনা-কৰ ৰাজহৰ *দুটা* উৎসৰ নাম লিখা।

20. Mention *two* main items of non-plan expenditure of a government budget. 2

চৰকাৰী বাজেটৰ অপৰিকল্পিত ব্যয়ৰ *দুটা* মুখ্য বিষয় উল্লেখ কৰা।

21. What is devaluation of currency? 2

মুদ্ৰাৰ অৱমূল্যায়ন কি?

22. Define personal income and private income and distinguish between them. 2+2=4

ব্যক্তিগত আয় আৰু বেচৰকাৰী আয়ৰ সংজ্ঞা দিয়া আৰু সিহঁতৰ মাজৰ পাৰ্থক্য দেখুওৱা।

23. If National Income in an economy increases by ₹1,000 crore as a result of a new investment ($\Delta I$) of ₹200 crore, find out the values of *(i)* MPC, and *(ii)* Multiplier ($K$). 2+2=4

যদি ₹200 কোটি নতুন বিনিয়োগৰ ($\Delta I$) ফলস্বৰূপে এটি অৰ্থব্যৱস্থাৰ জাতীয় আয় ₹1,000 কোটি বৃদ্ধি পায় তেন্তে *(i)* MPC, আৰু *(ii)* গুণক ($K$)ৰ মান নিৰ্ণয় কৰা।

24. Explain the relationship between marginal propensity to consume (MPC) and marginal propensity to save (MPS). 4

প্ৰান্তিক ভোগ প্ৰৱণতা (MPC) আৰু প্ৰান্তিক সঞ্চয় প্ৰৱণতা (MPS) ৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

25. What is meant by revenue deficit ? Explain *three* implications of revenue deficit. 1+3=4

ৰাজহ ঘাটি বুলিলে কি বুজায়? ৰাজহ ঘাটিৰ ফলত উদ্ভৱ হোৱা *তিনিটা* পৰিস্থিতি ব্যাখ্যা কৰা।

**OR / অথবা**

What are the basic objectives of a government budget ? — Explain them briefly.

চৰকাৰী বাজেটৰ উদ্দেশ্যবোৰ কি কি? — এইবোৰ চমুকৈ ব্যাখ্যা কৰা।

26. Distinguish between balance of trade (BOT) and balance of payment (BOP). 4

বৈদেশিক বাণিজ্যৰ বিবৃতি (BOT) আৰু বৈদেশিক লেনদেনৰ বিবৃতি (BOP)ৰ মাজত পাৰ্থক্য দেখুওৱা।

**OR / অথবা**

Differentiate between fixed and flexible exchange rates.

স্থিৰ আৰু পৰিবৰ্ত্তনশীল বিনিময় হাৰৰ পাৰ্থক্য দেখুওৱা।

27. Explain the Precautions needed to be taken while calculating National Income by expenditure method. 6

ব্যয় পদ্ধতিৰে জাতীয় আয় গণনা কৰোঁতে ল'ব লগা প্ৰয়োজনীয় সাৱধানতাসমূহ আলোচনা কৰা।

**OR / অথবা**

Explain the circular flow of income in a simplified economy with two sectors — households and firms.

গৃহস্থী আৰু ব্যৱসায় প্ৰতিষ্ঠান — এই দ্বি-খণ্ডযুক্ত এটা সৰল অৰ্থব্যৱস্থাত আয়ৰ চক্ৰীয় প্ৰৱাহ ব্যাখ্যা কৰা।

28. Briefly explain *any four* functions of money. 6

মুদ্ৰাৰ *যিকোনো চাৰিটা* কাৰ্য্য চমুকৈ ব্যাখ্যা কৰা।

**OR / অথবা**

Briefly explain *any four* functions of the RBI.

ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI)ৰ *যিকোনো চাৰিটা* কাৰ্য্য চমুকৈ ব্যাখ্যা কৰা।

—— × ——